# খবৰনামা

পঞ্চম প্ৰকাশ ঃ জুন, ২০১০

## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়








সম্পাদিকাদ্বয় - অঞ্জুমণি বৰা, মল্লিকা বৰা



মহাবিদ্যালয় অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা আলোচনা চক্রত বাওঁফালৰ পৰা ক্রমে বিশ্ববিদ্যালয়ৰ প্রাক্তন উপাচার্য শ্রীযুত নির্মল কুমাৰ চৌধুৰী, সাহিত্যিক ড° নৰেন কলিতা, অসম সাহিত্য সভাৰ সভাপতি শ্রীযুত ৰং বং তেৰাং, অধ্যক্ষ ড° ভূপেন শইকীয়া আৰু বিশিষ্ট ব্যক্তি শ্রীযুত সহজানন্দ ওজা।




এইডচ্ সজাগতা শিবিৰত ভাষণৰত অৱস্থাত
আই, এ, এছ, বিষয়া শ্রীযুত দীপক কুমাৰ, অধ্যক্ষ আৰু বিশিষ্ট অতিথিসকল।




# খ ব ৰ না মা

## ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ খবৰ

**সম্পাদিকাদ্বয়**

**অঞ্জুমণি বৰা**

**মল্লিকা বৰা**



ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

স্থাপিত - জুলাই, ১৯৬৭ চন

ডাক - পুৰণিগুদাম

জিলা - নগাঁও ঃ অসম

ডাক সূচাংক - ৭৮২১৪১

দূৰভাষ - ০৩৬৭২-২৮১৬২৭

মেইল - bkbcollege@hotmail.com

## মহাবিদ্যালয় পৰিচালনা সমিতি

সভাপতি ঃ শ্ৰীযুত ফণীন্দ্ৰনাথ গায়ন

সম্পাদক ঃ ড° ভূপেন শইকীয়া

(অধ্যক্ষ, ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়)

সদস্য

শ্ৰীযুত মৃদুল কুমাৰ শইকীয়া, উপাধ্যক্ষ

শ্ৰীযুত যুগল চন্দ্ৰ গোস্বামী

শ্ৰীযুত যোগানন্দ গোস্বামী

শ্ৰীযুত উৎপল বৰা

শ্ৰীযুত নকুল চন্দ্ৰ শৰ্মা

শ্ৰীমতী ৰেণু ফুকন

শ্ৰীমতী গায়ত্ৰী গোপ

মঃ কুতুবুদ্দিন আহমেদ।

## অধ্যক্ষৰ একাষাৰ

মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত **খবৰনামা**ৰ চতুৰ্থ সংখ্যা প্ৰকাশ হ'ব বুলি জানিব পাৰি সুখী হৈছোঁ। ইতিমধ্যে প্ৰকাশিত সংখ্যাকেইটা বিনামূল্যে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী তথা ৰাইজৰ হাতত তুলি দিব পৰাটো মহাবিদ্যালয়ৰ বাবে আনন্দৰ কথা।

মহাবিদ্যালয় একোখন ৰাইজৰ আশাৰ প্ৰতীক। একোখন মহাবিদ্যালয় গঢ়লৈ উঠাৰ আঁৰত স্থানীয় লোকৰ বহু আশা-আকাংক্ষা, শ্ৰম আৰু প্ৰচেষ্টা নিহিত হৈ থাকে। সেয়ে মহাবিদ্যালয়ৰ শৈক্ষিক, আবয়বিক আদি দিশৰ অগ্ৰগতিৰ খবৰ ৰাইজে জনাটো প্ৰয়োজন। তেনে উদ্দেশ্য আগত ৰাখিয়েই মহাবিদ্যালয়ৰপৰা **খবৰনামা** নিয়মীয়াকৈ প্ৰকাশ কৰাৰ দিহা কৰা হৈছে।

**খবৰনামা**ৰ জৰিয়তে বিগত শিক্ষাবৰ্ষৰ মহাবিদ্যালয়ৰ অগ্ৰগতি, বাহিৰে-ভিতৰে উদ্‌যাপন কৰা বিভিন্ন কাৰ্যসূচী তথা অন্যান্য কাম-কাজৰ এখন পূৰ্ণাঙ্গ চিত্ৰ প্ৰকাশ পাব বুলি আশা কৰিছোঁ। **খবৰনামা**ৰ সম্পাদিকাদ্বয়ৰ প্ৰচেষ্টাৰ লগতে শলাগ লৈছোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

## সম্পাদকীয়...

**খবৰনামা** মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত এখন ক্ষুদ্ৰ বাৰ্তালোচনী। ইতিমধ্যে **খবৰনামাৰ** চাৰিটা সংখ্যা প্ৰকাশ হৈছে। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় পুৰণিগুদাম অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। স্থানীয় ৰাইজৰ আশা-আকাংক্ষা এই মহাবিদ্যালয়ৰ লগত জড়িত হৈ আছে। পুৰণিগুদাম অঞ্চলৰ এক নিজা গৌৰৱময় ঐতিহ্য আছে। **খবৰনামা** প্ৰকাশৰ অন্তৰালত আছে মহাবিদ্যালয়ৰ শৈক্ষিক, বৌদ্ধিক আৰু সাংস্কৃতিক কাম-কাজৰ মাজেৰে এই গৌৰৱময় ঐতিহ্যক কিমান দূৰ সংৰক্ষণ কৰিব পৰা হৈছে তাক অনুধাৱন কৰা।

**খবৰনামাৰ** পঞ্চম সংখ্যাত ২০০৯-২০১০ শিক্ষাবৰ্ষৰ মহাবিদ্যালয় শৈক্ষিক, বৌদ্ধিক আৰু সাংস্কৃতিক সমূহ কৰ্মৰাজিৰ পূৰ্ণাঙ্গ চিত্ৰ এখনি প্ৰতিফলিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। স্থানীয় ৰাইজ, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে প্ৰচেষ্টাত পুৰণিগুদামৰ উচ্চ শিক্ষাৰ এই অনুষ্ঠানটো উন্নতি পথত আগুৱাই যাওক— এয়াই আমাৰ কামনা।

# মহাবিদ্যালয়ৰ বিষয়ে চমুকৈ

বিশ্ববিদ্যালয় অনুদান আয়োগত পঞ্জীয়ন

কাল ঃ ২৭ মার্চ, ১৯৯২ চন

শিক্ষকৰ সংখ্যা ঃ ২৬ জন

অনা-শিক্ষক কর্মচাৰীৰ সংখ্যা ঃ ১৪ জন

শিক্ষাদান কৰা বিষয় আৰু বিভাগসমূহ—

ক। অসমীয়া (আধুনিক ভাৰতীয় ভাষা)

খ। ঐচ্ছিক অসমীয়া

গ। ইংৰাজী

ঘ। অর্থনীতি

ঙ। ৰাজনীতি বিজ্ঞান

চ। বুৰঞ্জী

ছ। শিক্ষা

জ। ভূগোল

# বৃত্তি শিক্ষাৰ পাঠ্যক্ৰম

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ কলা শাখাৰ উপৰোক্ত পাঠ্যক্ৰমৰ বাহিৰেও বিভিন্ন কাৰণত মহাবিদ্যালয় বা বিশ্ববিদ্যালয়লৈ গৈ পোনপটীয়া শিক্ষাগ্ৰহণ কৰিব নোৱৰা আৰু বৃত্তিমুখী শিক্ষা ল'ব খোজাসকলৰ বাবে বিভিন্ন পাঠ্যক্ৰম মহাবিদ্যালয়ত আৰম্ভ কৰা হৈছে। মহাবিদ্যালয়ত নিম্নোক্ত পাঠ্যক্ৰমসমূহৰ শিক্ষা গ্ৰহণৰ সুবিধা আছে—

**ক। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰ (KKHSOU)**

উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী অথচ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱৰা ছাত্ৰ-ছাত্ৰীৰ বাবে এই অধ্যয়ন কেন্দ্ৰৰ যোগেদি Bachelor's Preparatory Programme (BPP)ৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত অৱতীৰ্ণ হৈ স্নাতক শ্ৰেণীত নাম ভৰ্তি কৰিব পাৰ্িব। এই পাঠ্যক্ৰমৰ যোগেদি ছাত্ৰ-ছাত্ৰী যথেষ্ট উপকৃত হৈছে।

**খ। ইনষ্টিটিউট অৱ ডিষ্টেন্ট এণ্ড অপেন লাৰ্ণিং (IDOL)ঃ**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ২০০৬ চনত মহাবিদ্যালয়ত ইয়াৰ এটা কেন্দ্ৰ আৰম্ভ কৰা হয়। এই কেন্দ্ৰৰ যোগেদি স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা লোকে দুবছৰীয়া স্নাতকোত্তৰ বা এবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে। ইতিমধ্যে এই কেন্দ্ৰৰ যোগেদি স্নাতকোত্তৰ পৰীক্ষাত দুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সন্তোষজনক ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। আঠগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে আৰু আগন্তুক বৰ্ষৰ বাবে তিনিগৰাকীয়ে নামভৰ্তি কৰাৰ লগতে বৰ্তমানেও নাম ভৰ্তিকৰণ প্ৰক্ৰিয়া অব্যাহত আছে।

**গ। ফেশ্বন টেক্সটাইল এণ্ড ইনটেৰিয়ৰ ডিজাইনিং পাঠ্যক্ৰম**

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ অনুমোদনেৰে এই পাঠ্যক্ৰম মহাবিদ্যালয়ত প্ৰৱৰ্তন কৰা হৈছে। ইতিমধ্যে এই পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা অৰ্জন কৰিছে। এই পাঠ্যক্ৰমৰ সময় এবছৰ। স্ব-নিয়োজনৰ সুবিধা থকা এই পাঠ্যক্ৰমৰ প্ৰতি আৰু অধিক ছাত্ৰ-ছাত্ৰী আগ্ৰহী হ'ব বুলি আশা কৰিব পাৰি। ইয়াৰ পৰা উত্তীৰ্ণ ছাত্ৰী অমৃতা কৌৰে মহাবিদ্যালয়তে প্ৰশিক্ষিকা হিচাপে নিযুক্তি পায়। বৰ্তমান নাম ভৰ্তিকৰণ চলি আছে।

**ঘ। কম্পিউটাৰ ক'ৰ্চ**

ছাত্ৰ-ছাত্ৰীসকলে নূন্যতম মাহেকীয়া ফীজ দি মহাবিদ্যালয়ৰ পৰাই কম্পিউটাৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে। কম্পিউটাৰ শিক্ষাৰ অপৰিহাৰ্যতালৈ লক্ষ্য ৰাখি প্ৰৱৰ্তন কৰা এই ক'ৰ্চে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিছে।

**সংগীত বিদ্যালয়**

মহাবিদ্যালয়ত ২০০৮-০৯ বৰ্ষৰ পৰা এখন সংগীত বিদ্যালয় চলি আছে। এই বিদ্যালয়ত ভাটখাণ্ডে আৰু লক্ষ্ণৌৰ পৰা ভকেল আৰু তবলাত Bachelor Degree প্ৰদান কৰা হয়।

# মহাবিদ্যালয়ৰ পুথিভঁৰাল

মহাবিদ্যালয়ৰ পুথিভঁৰাল বিশেষভাৱে সমৃদ্ধ। ইয়াত দহ হাজাৰতকৈ অধিক গ্ৰন্থ আছে। বিভাগীয় পাঠ্যপুথিৰ উপৰিও প্ৰসঙ্গপুথি, বিভিন্ন ৰচনাৱলী, আলোচনী, বাতৰি-কাকত, কেইবাখনো জাৰ্ণেল আদিয়ে মহাবিদ্যালয়ৰ পুথিভঁৰালৰ সৌষ্ঠৱ বৃদ্ধি কৰে। যোৱা বছৰ অধ্যয়ন কক্ষটো আহল-বহল কৰি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মানদণ্ড উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে। দুখীয়া ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব পৰাকৈ বুক বেঙ্কৰো ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীক কম পইচাতে ফটোষ্টেট কৰাৰ সুবিধা দিয়া হৈছে। পুথিভঁৰালত থকা কিতাপসমূহৰ তালিকা কম্পিউটাৰত অন্তৰ্ভুক্তিৰ কাম প্ৰায় শেষ পৰ্যায়ত। চলিত শিক্ষাবৰ্ষত ছাত্ৰ-ছাত্ৰীয়ে নিজে বিচৰা কিতাপখন পুথিভঁৰালত আছে নে নাই মুহূৰ্ততে কম্পিউটাৰৰ সহায়ত বিচাৰি উলিয়াব পাৰিব।

মহাবিদ্যালয়ৰ পুথিভঁৰালৰ গ্ৰন্থগাৰিকা জুলি ঠাকুৰীয়াই চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত তেজপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা নেচনেল চেমিনাৰত গৱেষণা-পত্ৰ পাঠ কৰে আৰু কলিয়াবৰ মহাবিদ্যালয়ত অনুষ্ঠিত Automation Networking কৰ্মশালাত অংশগ্ৰহণ কৰে।

# মহাবিদ্যালয়ৰ বিগত শিক্ষাবৰ্ষৰ শৈক্ষিক তথা সামাজিক কৰ্মসূচীৰ চমু খতিয়ান

**আলোচনা চক্ৰ ঃ** ভাষা, সাহিত্য, সংস্কৃতি আৰু আন জনহিতকৰ কামেৰে জাতীয় জীৱন সমৃদ্ধ কৰা ড° বিৰিঞ্চকুমাৰ বৰুৱাৰ নামেৰে মহাবিদ্যালয়খনৰ নামকৰণ কৰা হৈছে। এইজনা সৃষ্টিশীল মনিষীৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ আঁত ধৰি ২০০৯ চনৰ ১২ আৰু ১৩ অক্টোবৰত 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ অৱদান' শীৰ্ষক এখনি ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু নগাঁও জিলা শাখা সাহিত্য সভাৰ যুটীয়া উদ্যোগত আলোচনা চক্ৰখনি সফলভাৱে পৰিসমাপ্তি ঘটে।

অসম সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি শ্ৰীযুত ৰংবং তেৰাঙে আলোচনা চক্ৰখনিৰ মুখ্য অতিথি ৰূপে উপস্থিত থাকি সাৰুৱা বক্তব্য ৰাখে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰীয়ে বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি আলোচনা চক্ৰখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। নগাঁও জিলাৰ সাহিত্য সভাৰ সভাপতি ড° নৰেন কলিতাই আলোচনা চক্ৰখনিৰ উদ্বোধন কৰে। আলোচনা চক্ৰৰ সংযোজক আব্দুল হাসেমে সকলোবোৰ কাৰ্য সুশৃঙ্খলভাৱে কৰি দক্ষতাৰে পৰিচয় দিয়ে।

আলোচনা চক্ৰৰ দুয়োদিনৰ কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু ড° উমেশ ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ ড° উপেন ৰাভা হাকাচাম, তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন (Cultural Study) বিভাগৰ মুৰব্বী অধ্যাপক ড° সুনীল দত্ত আৰু একেটা বিভাগৰে সত্ৰীয়া সংস্কৃতিৰ গৱেষক ড° প্ৰদীপজ্যোতি মহন্ত, সু-সাহিত্যিক উপেন বৰকটকীয়ে সমল ব্যক্তিৰূপে উপস্থিত থাকি আলোচনা চক্ৰখনি সুন্দৰকৈ চলাই নিয়ে। অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ পৰা অহা প্ৰবক্তা আৰু বিশ্ববিদ্যালয়ৰ কেইবাজনো গৱেষক ছাত্ৰ-ছাত্ৰীয়ে ৪৮খন গৱেষণা-পত্ৰ পাঠ কৰে। মহাবিদ্যালয়ৰ তিনিগৰাকী প্ৰবক্তা ক্ৰমে কমল শইকীয়া, মল্লিকা বৰা আৰু সোমনাথ বৰাই গৱেষণা-পত্ৰ পাঠ কৰে।

আলোচনা চক্ৰৰ দুয়োটা দিনৰ কাৰ্যসূচীত মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, স্থানীয় গণ্য-মান্য ব্যক্তিৰ উপস্থিতিৰে আলোচনা চক্ৰখন সফলভাৱে সামৰণি পৰে।

জনাবলৈ পাই সুখী হৈছোঁ যে আলোচনা চক্ৰখনিৰ পৰা নিৰ্বাচিত কেইখনমান গৱেষণা-পত্ৰ গ্ৰন্থ আকাৰে প্ৰকাশ কৰাৰ কাম সমাপ্তিৰ পথত।

চলিত বৰ্ষৰ আগষ্ট মাহত শিক্ষা বিভাগৰ উদ্যোগত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ

অনুষ্ঠিত কৰাৰ আঁচনিও হাতত লোৱা হৈছে।

**খ। প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কীয় কৰ্মশালা ঃ** স্থানীয় দৃষ্টি ফাউণ্ডেচন আৰু মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত ২০০৯ চনৰ ৫ চেপ্তেম্বৰত 'বাপুজী ভৱন'ত প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কে জনসাধাৰণক সচেতন কৰিবলৈ 'প্ৰাকৃতিক দুৰ্যোগ নিবাৰণ' শীৰ্ষক এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। আলোচনাখনিত মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰবক্তা নয়না আহমেদ সমল ব্যক্তি ৰূপে উপস্থিত থাকে।

**গ। 'লাইফ স্কিল এডুকেশ্বন' কৰ্মশালা ঃ** মহাবিদ্যালয় আৰু দৃষ্টি ফাউণ্ডেচনৰ সহযোগত মহাবিদ্যালয়ত 'লাইফ স্কিল এডুকেশ্বন' শীৰ্ষক সপ্তাহজোৰা কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাতো ছাত্ৰ-ছাত্ৰীৰপৰা সন্তোষজনক সঁহাৰি লাভ কৰা যায়।

**ঘ। এইডচ্ সজাগতা শিবিৰ ঃ** Red Ribbon Club আৰু মহাবিদ্যালয়ৰ N.S.S.ৰ যুটীয়া উদ্যোগত এইডচ্ সজাগতা সভা অনুষ্ঠিত কৰে। সভাত N.S.S.ৰ North Eastern Regionৰ Regional Director শ্ৰীদীপক কুমাৰ, ডাঃ অপূৰ্ব কুমাৰ শৰ্মাকে ধৰি কেইবাগৰাকী বিষয়াৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

**ঙ। আদৰ্শ গাঁও ঃ** ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ 'Action Group for Model village' নামৰ গোটটোৰ নেতৃত্বত 'আদৰ্শ গাঁও' শীৰ্ষক এলানি কাৰ্যসূচী গ্ৰহণ কৰা হয়। আদৰ্শ গাঁও হিচাপে গঢ়ি তোলাৰ বাবে চাপানলাৰ 'বৰচোংজাৰ' নামৰ গাঁওখনক বাচনি কৰি নগাঁও জিলা স্বাস্থ্য বিভাগৰ সহযোগত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা অনুষ্ঠিত কৰে। পৰৱৰ্তী কাৰ্যসমূহ কাৰ্যকৰী কৰিবলৈ তেওঁলোকে আঁচনি হাতত লৈছে।

**চ। 'ডমেষ্টিক ভায়োলেন্স' শীৰ্ষক পপুলাৰ টক্ ঃ** মহাবিদ্যালয়ৰ মহিলা কোষে বিভিন্ন সময়ত বিভিন্ন সামাজিক কাম-কাজ কৰি আহিছে। যোৱা শিক্ষাবৰ্ষটোত মহিলাসকলৰ উদ্যোগত বৰ্তমান সময়ৰ সামাজিক সমস্যালৈ লক্ষ্য ৰাখি Domestic violence শীৰ্ষক এক 'পপুলাৰ টক্' অনুষ্ঠিত কৰে। সভাত নগাঁও আইন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা বৰ্তমান নগাঁৱৰ আইনী সুৰক্ষা কোষৰ প্ৰকল্প সঞ্চালিকা শ্ৰীমতী দীপা শইকীয়া সমল ব্যক্তি ৰূপে উপস্থিত থাকে। যথেষ্ট সংখ্যক স্থানীয় ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

**ছ। প্ৰতিভা সন্ধানী পৰীক্ষা ঃ** চলিত বৰ্ষৰ মে' মাহত অৰ্থনীতি বিভাগৰ প্ৰবক্তা মঃ এ. কে. এম. আখটাৰৰ তত্ত্বাৱধানত স্কুলীয়া পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰবক্তা শ্ৰীযুত যোগানন্দ গোস্বামীয়ে এই পৰীক্ষাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীলৈ বঁটা আগবঢ়ায়।

**জ। যোগ প্ৰশিক্ষণ শিবিৰ ঃ-** মহাবিদ্যালয়ৰ যোগ কোষৰ যোগেদি প্ৰতি বছৰে যোগ প্ৰশিক্ষণ দি ছাত্ৰ-ছাত্ৰীক যোগ শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলা হৈছে। ২০০৯ চনৰ ডিচেম্বৰ মাহত পাঁচদিনীয়া বিনামূলীয়া যোগ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। স্বামী ৰামদেৱৰ পতঞ্জলিত প্ৰশিক্ষণ প্ৰাপ্ত প্ৰবক্তা শ্ৰীমামনী শইকীয়াৰ তত্ত্বাৱধানত এই শিবিৰ অনুষ্ঠিত হয়। চলিত বৰ্ষৰ আগষ্ট মাহত এই কোষে এখনি বিনামূলীয়া শিবিৰ অনুষ্ঠিত কৰিব বুলি জানিব পৰা গৈছে।

## গ্ৰন্থ, প্ৰবন্ধ আদি প্ৰকাশ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে কেইবাগৰাকী প্ৰবক্তাই সাহিত্য জগতত নিজকে নিয়োজিত কৰি ৰাখিছে। ইতিমধ্যে অধ্যক্ষ ড° ভূপেন শইকীয়াই উপন্যাস, কবিতা আৰু ছাত্ৰ-ছাত্ৰী উপযোগী কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। চলিত বৰ্ষৰ ৬ জুনত 'মৃতকল্প' নামৰ আন এখন উপন্যাস প্ৰকাশ পায়। তদুপৰি 'শোণিত কণ্ঠ' নামৰ কবিতা সংকলন আৰু 'প্ৰয়াস' নামৰ আলোচনীত তেখেতৰ কবিতাই স্থান পায়।

মহাবিদ্যালয়ৰ প্ৰৱক্তা কমল শইকীয়াৰ চলিত বৰ্ষত গৰীয়সী আলোচনীত 'সাহিত্যৰ ঐতিহাসিক ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ সাহিত্য আৰু আধুনিক দৃষ্টিভঙ্গী' শীৰ্ষক প্ৰবন্ধ প্ৰকাশ পায়।

প্ৰবক্তা সোমনাথ বৰা সাহিত্য জগতত গল্প লেখক হিচাপে সুপৰিচিত। তেখেতৰ বিভিন্ন আলোচনীত প্ৰকাশিত গল্পসমূহৰ সংকলন 'দ্বিতীয় প্ৰহৰৰ ৰাত্ৰি' ২০০৯ চনৰ ডিচেম্বৰত প্ৰকাশ পায়। 'নতুনৰ স্বৰলিপি' নামৰ গল্প সংকলনত তেখেতৰ গল্পই স্থান পাইছে। 'প্ৰান্তিক', 'গৰীয়সী' আলোচনীত তেখেতৰ গল্প প্ৰায়ে প্ৰকাশ পায়।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ কেইবাজনো প্ৰবক্তাই মহাবিদ্যালয়ৰ আলোচনীকে ধৰি অন্যান্য আলোচনী, বাতৰি কাকতত লেখা প্ৰকাশ কৰিছে।

## প্ৰবক্তাসকলৰ শৈক্ষিক বিষয়ক খতিয়ান ঃ

মহাবিদ্যালয়ৰ প্ৰবক্তা নকুল শৰ্মা, কমল শইকীয়া, অলকা হুজুৰীয়ে গৱেষণাৰ কাম আৰম্ভ কৰিছে। প্ৰবক্তা আকাশী ভূঞা, যতীন শৰ্মা আৰু হৰেকৃষ্ণ বৰাই বিগত বৰ্ষত M. Phil. ডিগ্ৰী লাভ কৰে। প্ৰবক্তা যতীন শৰ্মাই M.R.P. ৰ কাম হাতত লৈছে। প্ৰবক্তা অনুৰূপা বৰা আৰু সোমনাথ বৰাই বিগত শিক্ষাবৰ্ষত পৰিশীলন পাঠ্যক্ৰম কৰি আহিছে। খাগৰিজান মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা NEIHA (North East India History Association) ৰ আলোচনা চক্ৰত মহাবিদ্যালয়ৰ উপাধ্যক্ষ মৃদুল কুমাৰ শইকীয়া প্ৰমুখ্যে কেইবাগৰাকী প্ৰবক্তাই অংশগ্ৰহণ কৰে। প্ৰবক্তা যতীন শৰ্মাই গৱেষণা-পত্ৰ পাঠ কৰে।

প্ৰবক্তা মঃ আখতাৰে আৰু দেৱীতা কেমপ্ৰায়ে চলিত বৰ্ষত গুৱাহাটীৰ I.I.E.ৰ Faculty Development Programe ত প্ৰশিক্ষণ লৈ আহে। প্ৰবক্তা শান্তনু বৰদলৈ আৰু দেবীতা কেমপ্ৰায়ে সোণাপুৰৰ চামতা পথাৰত ভাৰত স্কাউট এণ্ড গাইডৰ সাতদিনীয়া Rover আৰু Ranger ৰ প্ৰশিক্ষণ লয়। প্ৰবক্তা বিপুল চক্ৰৱৰ্তী আৰু শান্তনু বৰদলৈয়ে ২০১০ চনৰ লোকপিয়লৰ সমল ব্যক্তি ৰূপে উপস্থিত থাকে। ইয়াৰ উপৰিও বিভিন্ন মহাবিদ্যালয়ত সময়ে সময়ে হৈ থকা আলোচনা, কৰ্মশালাত প্ৰবক্তাসকলে অংশ গ্ৰহণ কৰি আহিছে।

# ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰহণ কৰা বিভিন্ন কাৰ্যব্যৱস্থা

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় পুৰণিগুদাম অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। এই মহাবিদ্যালয়লৈ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা শিক্ষাগ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটে। পুৰণিগুদামত বাণিজ্য শিক্ষাৰ সুবিধা ছাত্ৰ-ছাত্ৰীসকলক দিবৰ বাবে চলিত বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীত বাণিজ্য শাখা খোলা হৈছে। মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক বাতাৱৰণ সুন্দৰ কৰাৰ মানসেৰে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুবিধাজনক জিৰণী কোঠা, কেণ্টিন, খোৱাপানীৰ সুন্দৰ ব্যৱস্থা কৰিছে। দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ দৰিদ্ৰ ছাত্ৰ নিধি গঠন কৰা হৈছে। বৌদ্ধিক, সাহিত্যিক চিন্তা-চৰ্চাৰ প্ৰকাশৰ মাধ্যম হিচাপে বছৰেকীয়া আলোচনী আৰু পাঁচখন প্ৰাচীৰ পত্ৰিকা আছে। দূৰণিৰপৰা অহা ছাত্ৰীৰ সুবিধাৰ বাবে চলিত বৰ্ষৰপৰা ছাত্ৰী নিৱাসত থকাৰ সু-ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ নিৰ্মাণ কাৰ্য পূৰ্ণগতিত চলি আছে। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কেইবাটাও শ্ৰেণীকোঠা নিৰ্মাণৰ কামো চলি আছে। তদুপৰি আধুনিক সা-সৰঞ্জামেৰে এটা আদৰ্শ শ্ৰেণীকোঠা (Model Room) নিৰ্মাণৰ কামো সমাপ্তিৰ পৰ্যায়ত। Remedial Classৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মান উন্নত কৰিবলৈ যত্ন কৰা হয়। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ নিৰ্বাচন গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে কৰিবলৈ সুবিধা দিয়া হয়। ২০০৯ চনৰ ২৩ মে' তাৰিখে স্থানীয় 'দৃষ্টি ফাউণ্ডেচন' নামৰ সংস্থাটোৰ সহযোগত মহাবিদ্যালয়ত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ এটি মুকলি কৰা হয়। এই কেন্দ্ৰটি যোগেদি ছাত্ৰ-ছাত্ৰীসকলে নানা বৈজ্ঞানিক সৰঞ্জামৰ সৈতে পৰিচিত হ'ব পাৰে। ইয়াৰ জৰিয়তে বিজ্ঞানক জনপ্ৰিয়কৰণৰ এটি পথো মুকলি হ'ব বুলি আশা কৰা হৈছে। ২০০৯ চনৰ বিবেকানন্দ কেন্দ্ৰৰ এটি শাখা মহাবিদ্যালয়ত মুকলি কৰা হয়। ভাৰতীয় দৰ্শনৰ আধ্যাত্মিক শিক্ষাৰ যোগেদি যুৱ প্ৰজন্মক নেতৃত্ব প্ৰদানৰ শিক্ষা দিয়াই ইয়াৰ উদ্দেশ্য। মহাবিদ্যালয়ৰ শাখা পৰিচালক শান্তনু বৰদলৈৰ তত্বাৱধানৰ জিলা ভিত্তিত অনুষ্ঠিত হোৱা 'বিজয় হি বিজয়' পৰীক্ষাত মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী পূজা শইকীয়াই প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। চলিত বৰ্ষৰ জানুৱাৰি মাহত ডিব্ৰুগড়ত সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা 'মহাবিজয়' অনুষ্ঠানত মহাবিদ্যালয়ৰ এটা ছাত্ৰ প্ৰতিনিধিৰ দলে অংশগ্ৰহণ কৰে।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C) আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি (N.S.S.) ৰ অন্তৰ্ভুক্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সুযোগ দিয়া হৈছে। স্নাতক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ পাই উত্তীৰ্ণ হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ/ছাত্ৰীগৰাকীক এহেজাৰ টকাৰ

এটি বঁটা প্ৰয়াত অধ্যাপক নিৰদপ্ৰসাদ মহান্তিৰ সোঁৱৰণত অধ্যাপিকা মামনি শইকীয়াই আগবঢ়ায়। চলিত বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ শিক্ষা আৰু অসমীয়া বিভাগে বিভাগীয় দৰিদ্ৰ মেধা ছাত্ৰ/ছাত্ৰীক বিনামূলীয়া কিতাপ-পত্ৰ যোগানৰ ব্যৱস্থা হাতত লৈছে। শিক্ষা বিভাগে তেওঁলোকৰ বিভাগৰ স্নাতক মহলাৰ মেজৰ/জেনেৰেল পাঠ্যক্ৰমৰ অধিক উপস্থিত থকা ছাত্ৰ/ছাত্ৰীক পুৰস্কৃত কৰি উদ্‌গনি যোগাই আহিছে।

মহাবিদ্যালয় সপ্তাহ-সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলে খেলা-ধূলা কৰা, নানা সুকুমাৰ কলাত নিজৰ পটুতা প্ৰকাশ কৰাৰ সুবিধা পায়। বিগত বৰ্ষৰ সপ্তাহ-সমাৰোহত মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়িকা আকাশী ভূঞা আৰু গায়ত্ৰী গোপৰ তত্ত্বাৱধানত প্ৰশিক্ষক অতুল বৰাই সপ্তাহযোৰা কৰ্মশালা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীক 'ৰাস'ৰ প্ৰশিক্ষণ দিয়ে। কলেজ সপ্তাহ সমাৰোহৰ অন্তিম দিনা ২০০৯ চনৰ ১১ ডিচেম্বৰত মহাবিদ্যালয় প্ৰাঙ্গণত ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমবাৰৰ বাবে গায়ন-বায়নেৰে পৰিবেষ্টিত হৈ ৰাস নৃত্য সফলভাৱে প্ৰদৰ্শন কৰি সকলোৰে মন জয় কৰে। সৰস্বতী পূজা, শঙ্কৰদেৱৰ তিথি, ফাতেহা-দোৱাজ-ই-দহমৰ উপৰি নৱাগত আদৰণী সভাখন জাক-জমককৈ পতা হয়।

চলিত বৰ্ষত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ নিলোৎপল গায়নে স্থানীয় বাপুজী ভৱনত অসম ভিত্তিত অনুষ্ঠিত হোৱা লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱা সোঁৱৰণী সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দ্বিতীয় স্থান পাই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। পাৰঘাট আঞ্চলিক ক্ৰীড়া সন্থা আৰু নগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত হোৱা ২৬ তম্ অভিৰুচি ক্ৰীড়া দিৱসত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ১২ টা বিভাগত অংশ গ্ৰহণ কৰি ৮ টা সোণ, ৯ টা ৰূপ আৰু ৫ টাকৈ ব্ৰঞ্জৰ পদক অৰ্জন কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। বহু ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ বাহিৰতো সংগীত, নৃত্য, নাটক আদি বিভিন্ন দিশত প্ৰতিভাৰ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে।




Life Skill Education
কৰ্মশালাত অংশগ্ৰহণকাৰী
প্ৰশিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকল।



যোগ শিবিৰত প্ৰশিক্ষিকা
মামনি শইকীয়া,
প্ৰৱক্তা লখিমী কাকতি আৰু
অংশগ্ৰহণকাৰী ছাত্ৰীসকল।




আৰ্যভট্ট চায়ন্স চেণ্টাৰৰ
উদ্বোধনী অনুষ্ঠানত বিশিষ্ট ব্যক্তি
শ্ৰীযুত সহজানন্দ ওজা,
ভাষণৰত অৱস্থাত অধ্যক্ষ
ড° ভূপেন শইকীয়া,
বিশিষ্ট ব্যক্তি শ্ৰীযুত ফণীন্দ্ৰ নাথ গায়ন,
বিশিষ্ট ব্যক্তি
শ্ৰীযুত যোগানন্দ গোস্বামী



কৰ্মৰত অৱস্থাত N. S. S.ৰ
ছাত্ৰ-ছাত্ৰীসকল



বিবেকানন্দ কেন্দ্ৰৰ সভাত
অধ্যক্ষ ড° ভূপেন শইকীয়া
আৰু কেন্দ্ৰৰ শাখা পৰিচালক
শ্ৰীশান্তনু বৰদলৈ



মহাবিদ্যালয়ত অনুষ্ঠিত
'ৰাস নৃত্যৰ'
এক মনোমোহা দৃশ্য।